بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ   نَحۡمَدُہٗ وَنُصَلِّیۡ عَلٰی رَسُوۡلِہِ الۡکَرِیۡمِ   وَعَلٰی عَبۡدِہِ الۡمَسِیۡحِ الۡمَوۡعُوۡدِ

# খোতবা জুমা

**ছৈয়েদেনা হুজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আই৪) য়ে ২০২০ চনৰ ৩ এপ্ৰিলত মছজিদ মোবাৰক ইছলামাদ (বৃটেইনত ) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ।**

তাছাহুদ,তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে - বৰ্তমানৰ অৱস্থা অনুযায়ী চৰকাৰে যি আইন ইয়াত জাৰি কৰিছে,সেই আইন অনুযায়ী নিয়মানুসাৰে মুক্তাদি সকলৰ সন্মুখত খোতবা পাঠ কৰিব পৰা নাযায়। গতিকে আইনৰ সীমাবদ্ধতাত থাকি, যিমানখিনি অনুমতি আছে, সেই অনুসৰি আজি ইয়াতে ব্যৱস্থা কৰা হৈছে যে মই মছজিদৰ পৰা খোতবা প্ৰদান কৰোঁ কাৰণ পৃথিবী ব্যাপি লাখ লাখ মানুহে খোতবা শুনাৰ অপেক্ষাত আছে, যদিওঁ বৰ্তমানে মছজিদত মোৰ সন্মুখত মানুহ থাকক বা নাথাকক। এই একতা ৰক্ষাৰ্থে আমি সদায় চেষ্টা কৰিব লাগিব আৰু দোৱা কৰি থাকিব লাগিব। আল্লাহ তায়ালা অৱস্থাৰ উন্নতি কৰক, এই মহামাৰী দূৰ কৰক লগতে মছজিদৰ সৌন্দৰ্য্য আকৌ ঘুৰাই লৈ আনক।

হজৰত তালহা বিন উবায়দুল্লাহ (ৰাঃ)ৰ বিষয়ে আকৌ বৰ্ণনা কৰোঁতে হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে হজৰত উমৰ (ৰাঃ)যে নিজৰ মৃত্যুৰ আগত খিলাফতৰ বাবে এখন কমিটি নিযুক্তি কৰিছিল। চহী বোখাৰীত এই সম্পৰ্কে এয়া বৰ্ণনা দিয়া আছে যে যেতিয়া হজৰত উমৰ (ৰাঃ)ৰ মৃত্যুৰ সময় ঘনাই আহিছিল তেতিয়া মানুহে সুধিছিল যে ইয়া আমিৰুল মোমিনিন কাক খলিফা নিযুক্ত কৰা হব ? তেখেত (ৰাঃ)য়ে কৈছিল - মই এই খিলাফতৰ অধিকাৰী সেই কেইজন লোকৰ বাহিৰে আন কাকো দেখা নাপাওঁ, যি সকলৰ ওপৰত ৰছুলুল্লাহ (ছাঃ)য়ে নিজৰ মৃত্যুৰ সময়লৈকে সন্তুষ্ট আছিল। ইয়াৰ পিছত হজৰত উমৰ (ৰাঃ)য়ে হজৰত আলি (ৰাঃ), হজৰত উচমান (ৰাঃ), হজৰত জাবিৰ (ৰাঃ), হজৰত তালহা (ৰাঃ), হজৰত ছাআদ (ৰাঃ) আৰু হজৰত আব্দুৰ ৰহমান বিন অউফ (ৰাঃ) থাকিব কিন্তু খিলাফতৰ মাজত তাৰ কোনো অধিকাৰ নাথাকিব।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে - হজৰত তালহা (ৰাঃ)য়ে হজৰত উমৰ (ৰাঃ)ৰ এই অচিয়তৰ সময়ত উপস্থিত নাছিল। আন এটা ৰোৱায়েতত আছে, যিটো বেছি শুদ্ধ বুলি ধৰা হয়, যে হজৰত তালহা (ৰাঃ) হজৰত উচমান (ৰাঃ)ৰ বয়াতৰ পিছত আহি উপস্থিত হৈছিল।

যেতিয়া হজৰত উচমান (ৰাঃ)শ্বহিদ হৈছিল তেতিয়া সকলো বদৰি চাহাবা সকলে গৈ হজৰত আলি (ৰাঃ) ওচৰত উপস্থিত হৈছিল আৰু তেওঁলোকে কৈছিল যে আমি বেলেগক আপোনাতকৈ বেছি ইয়াৰ বাবে হকদাৰ দেখা নাপাওঁ গতিকে আপুনি হাত বঢ়াই দিয়ক আমি আপোনাৰ হাতত বয়াত কৰিম। সৰ্বপ্ৰথমে বয়াত কৰা ব্যাক্তি হজৰত তালহা (ৰাঃ) আছিল।

হজৰত তালহা (ৰাঃ), হজৰত জাবিৰ (ৰাঃ) আৰু আয়শা (ৰাঃ) আদি লোক সকলৰ বিষয়ে হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে তেওঁলোকে খিলাফত অস্বীকাৰ কৰা নাছিল বৰং হজৰত উচমান (ৰাঃ)ৰ হত্যাকাৰীৰ সম্পৰ্কে প্ৰশ্ন তুলিছিল। গতিকে যিয়ে কয় যে তেওঁলোকে হজৰত আলি (ৰাঃ)ৰ বয়াত কৰা নাছিল, সেয়া ভুল কথা। হজৰত আয়শা (ৰাঃ) য়ে নিজৰ ভুল স্বীকাৰ কৰি মদিনালৈ গুচি গৈছিল আৰু তালহা (ৰাঃ)আৰু জাবিৰ (ৰাঃ)য়ে বয়াত নকৰালৈকে মৃত্যুবৰণ কৰা নাছিল।

আন এটা কতা হল যে তালহা আৰু জাবিৰ (ৰাঃ)ৰ সুসংবাদ প্ৰাপ্ত দহজনৰ এজন আছিল। যি সকলৰ বিষয়ে আঁহজৰত (ছাঃ)য়ে জান্নাতৰ সুসংবাদ দিছিল আৰু আঁহজৰত (ছাঃ)ৰ এই সংবাদ সচাঁ হোৱাটো বিশ্বাস যোগ্য। কিন্তু এয়া নহয় যে তেখেতে বিদ্ৰোহৰ পৰা প্ৰত্যাবৰ্তন কৰি তওবা কৰিছিল।

হজৰত উচমান (ৰাঃ)ৰ শ্বাহাদত আৰু হজৰত আলি (ৰাঃ)ৰ বয়াৰ আৰু জমালৰ যুদ্ধ ব্যাখ্যা কৰোঁতে হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে হজৰত উচমান (ৰাঃ) শ্বহীদ হোৱাৰ পিছত যি জমাত মক্কা অভিমুখে যাত্ৰা কৰিছিল, তেওঁলোকে গৈ হজৰত আয়শা (ৰাঃ)ক উচটনি দিছিল যে তাই হজৰত উচমান (ৰাঃ)ৰ হত্যাৰ প্ৰতিশোধ লববৈ যুদ্ধ ঘোষনা কৰিব লাগে। সেয়ে হজৰত আয়শা (ৰাঃ)ৰ কথামতেই সেয়া ঘোষনা কৰিছিল আৰু চাহাবা সকলক সহায়ৰ বাবে আহববান জনাইছিল। হজৰত তালহা (ৰাঃ) আৰু হজৰত জাবিৰ (ৰাঃ)য়ে এটা চৰ্ত সাপেক্ষে হজৰত আলি (ৰাঃ)ৰ বয়াত কৰিছিল যে সি হজৰত

উচমান (ৰাঃ)ৰ হত্যাকাৰীৰ বিৰুদ্ধে প্ৰতিশোধমুলক ব্যৱস্থা গ্ৰহন কৰিব লাগিব। আৰু এয়া অতি সোনকালে গ্ৰহন কৰিব লাগে। এওঁলোকে এই সোনকালৰ অৰ্থ যি বুজি লৈছিল সেয়া হজৰত আলি (ৰাঃ)ৰ মতে এটা বিৰুদ্ধ মতামত আছিল। হজৰত আলি (ৰাঃ)য়ে ভাৱিছিল যে আগতে ৰাজ্যৰ সকলো ব্যৱস্থা ঠিক হৈ যাওঁক, পিছত হত্যাকাৰীৰৰ দণ্ড সম্পৰ্কে মন দিয়া যাব। উক্ত মতবিৰুধৰ কাৰণে হজৰত তালহা আৰু হজৰত জাবিৰ (ৰাঃ)য়ে এয়া ভাৱিছিল যে হজৰত আলি (ৰাঃ)য়ে নিজৰ শপত পাহৰি গৈছে। গতিকে তেওঁলোক দুজনে খুলাখুলি ভাৱে নিজকে নিজে বয়াতৰ বহিৰ্ভূত বুলি ভাৱি লৈছিল। যেতিয়া তেওঁলোকে হজৰত আয়শা (ৰাঃ)ৰ ঘোষনা সম্পৰ্কে গম পাইছিল এওঁলোকেও গৈ তাইৰ লগত যোগ দিছিল আৰু সকলোৱে মিলি বচৰাৰ ফালে গৈছিল। যেতিয়া হজৰত আলি (ৰাঃ)য়ে এই সৈন্য বাহিনীৰ বিষয়ে গম পাইছিল তেতিয়া তেখেত (ৰাঃ)য়েও এটা সৈন্যদল সাজু কৰি বচৰাৰ ফালে যাত্ৰা কৰিছিল। বচৰাত গৈ উপস্থিত হোৱাৰ পিছত হজৰত ্লি (ৰাঃ)যে এজন লোকক হজৰত আয়শা (ৰাঃ), তালহা আৰু জাবিৰৰ ওচৰত পঠাই দিছিল। লোকজনে গৈ তেওঁলোকক সুধিছিল যে আপোনালোকৰ উদ্দেশ্য কি ? তেওঁলোকে উত্তৰ দিছিল যে আমাৰ উদ্দেশ্য হল একমাত্ৰ সংশোধন হোৱা। উক্ত ব্যাক্তিজনে উত্তৰ দিছিল যে যদি আপোনালোকৰ উদ্দেশ্য সংশোধনেই হয় তেন্তে তাৰ পদ্ধতি এয়া নহয়, যি আপোনালোকে ধাৰণ কৰিছে, ইয়াৰ ফলাপল দেখোন হব বিবাদ কৰা। বৰ্তমানে দেশৰ পৰিস্থিতি এনেকুৱা যে যদি এজন মানুহক হত্যা কৰা হয় তেন্তে হেজাৰ লোক সপক্ষে থিয় দিব। গতিকে সংশোধনৰ প্ৰথম পদক্ষেপ হল আগতে দেশখনক একতাৰ জৰীৰে বান্ধি লোৱা, আৰু পিছতহে দুষ্টক শাস্তি দিয়া, নহলে এনে অশান্ত পৰিবেশত কোনোৱাজনক শাস্তি দিয়া মানে দেশখনত আৰু বিবাধৰ বীজ ঢালি দিয়াহে হব। উক্ত কথাবোৰ শুনি তেওঁলোকে কৈছিল যে যদি হজৰত আলি (ৰাঃ)ৰ এয়াই ইচ্ছা তেন্তে সি আহক, আমি তেখেতৰ লগত মিলিবলৈ সাজু আছোঁ। এই কতাবোৰ শুনি লোকজনে হজৰত আলি (ৰাঃ)ক খৱৰ দিছিল দিছিল আৰু দুয়োফালৰ প্ৰতিনিধি এঠাইত মিলিত হৈছিল আৰু সিদ্ধান্ত লৈছিল যে যুদ্ধ কৰা ঠিক নহয়, সন্ধি স্থাপন কৰা উচিত হব। যেতিয়া এই খৱৰ ছবাই সকল অৰ্থ্যাৎ আব্দুল্লাহ বিন ছবাৰ জমাতৰ লোকে শুনিছিল আৰু উচমান (ৰাঃ)ৰ হত্যাকাৰী সকলে শুনিছিল তেতিয়া তেওঁলোকে এক গুৰুত্বপুৰ্ণ আলোচনাৰ পিছত সিদ্ধান্তত উপনীত হৈছিল মুছলমান সকলৰ ভিতৰত সন্ধি স্থাপন হোৱাটো আমাৰ বাবে ডাঙৰ ক্ষতি হব কাৰণ যদি সন্ধি স্থাপন হৈ গৈছে আৰু শান্তি স্থাপন হৈছে তেন্তে আমাৰ আৰু উপায় নাই, যেনকৈয়ে নহওঁক কিয় এই সন্ধি স্থাপন হবলৈ দিয়া নাযায়।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে - হজৰত আলি (ৰাঃ)য়ে বচৰাত গৈ উপস্থিত হোৱাৰ দ্বিতীয় দিনাখন হজৰত জাবিৰ (ৰাঃ)ৰ লগত সাক্ষাৎ হৈছিল। তেতিয়া এখেত (ৰাঃ)য়ে কৈছিল যে আপুনি মোৰ বিৰুদ্ধে কাজিয়া কৰিবলৈ দেখোন সৈন্য সামন্ত সাজু কৰিছে। কিন্তু খোদা তায়ালাৰ ওচৰত সমৰ্পিত কৰিবলৈ কিবা আপত্তি সাজু কৰি ৰাখিছেনে ? আপোনালোকে কিয় নিজ হাতেৰে ইছলামৰ বিনাশ সাধন কৰিবলৈ উঠিপৰি লাগিছে, যাৰ খিদমত আপোনালোকে প্ৰাণৰ বিনিময়ত এদিন কৰিছিল। কিয় মই আপোনালোকৰ ভাই নহয় নে  ? আগতে দেখোন পৰস্পৰে পৰস্পৰৰ তেজ হাৰাম বুলি মানিছিল তেন্তে এতিয়া কি কাৰণত সেয়া হালাল বুলি ভাৱিছে ? যদি কোনো ধৰণৰ নতুন সমস্যাৰ সৃষ্টি হলহেতেঁন তেন্তে বেলেগ কথা আছিল। যিহেতু কোনো ধৰণৰ নতুন সমস্যাৰ সৃষ্টি হোৱা নাই তেন্তে এই ৰণ কিয় হবলৈ ওলাইছে। তেতিয়া হজৰত তালহা (ৰাঃ)য়ে হজৰত জাবিৰ (ৰাঃ)ৰ লগত আছিল। তেখেত (ৰাঃ)য়ে কৈছিল য়ে আপুনি হজৰত উচমান (ৰাঃ)ক হত্যা কৰিবলৈ লোকক উচটনি দিছিল। হজৰত আলি (ৰাঃ)য়ে তেতিয়া কৈছিল যে মই হজৰত উচমান (ৰাঃ)ৰ হত্যাকাণ্ডত জড়িত লোকৰ ওপৰত অভিসম্পাত কৰোঁ। আকৌ হজৰত আলি (ৰাঃ)য়ে হজৰত জাবিৰ (ৰাঃ)ক কৈছিল যে "খোদা তায়ালাৰ কছম" তুমি আলিৰ সৈতে যুদ্ধ কৰিবা আৰু তুমি জালিম (অত্যাচাৰী) হবা। এয়া শুনি হজৰত জাবিৰ (ৰাঃ)য়ে সৈন্য সামন্তৰ ফালে ওভতি গৈছিল আৰু শপত লৈছিল যে সি হজৰত আলি (ৰাঃ)ৰ বিৰুদ্ধে যুদ্ধ নকৰে আৰু সি স্বীকাৰ কৰিছিল যে তেওঁ শুদ্ধটো বুজাত ভুল কৰিছে। যেতিয়া এই সংবাদ সৈন্য বাহিনীৰ কাণত পৰিছিল তেতিয়া সকলোৱে এটা শান্তিৰ নিশ্বাস লৈছিল যে এতিয়া আৰু যুদ্ধ নহয় বৰং সন্ধি স্থাপন হব।  কিন্তু আচল বিবাদী সকলৰ মাজত চাঞ্চল্যৰ সৃষ্টি হৈছিল আৰু যেতিয়া ৰাতি হৈ পৰিছিল, তেওঁলোকে এই সন্ধিত বাধা দিবলৈ এয়া ষড়যন্ত্ৰ ৰচিছিল যে, তেওঁলোকৰ পৰা যি সকলে হজৰত আলি (ৰাঃ)ৰ লগত আছিল, সেই লোক সকলে হজৰত আয়শা, হজৰত তালহা আৰু জাবিৰৰ সৈন্যৰ ওপৰত ৰাতিৰ আন্ধাৰত আক্ৰমণ চলায় আৰু যি সকলে এওঁলোকৰ সৈন্যৰ মাজত আছিল, তেওঁলোকে হজৰত আলি (ৰাঃ)ৰ সৈন্যৰ ওপৰত আক্ৰমণ চলইছিল।

যাৰ ফলাফল এয়া ওলাইছিল যে এটা চিঞৰ-বাখৰ হুলস্থুল লাগি গৈছিল আৰু প্ৰত্যেক দলেই ধাৰণা কৰিছিল যে সেইটো দলে তেওঁলোকৰ লগত প্ৰতাৰণা কৰিছে। দৰাচলতে এয়া কেৱল ছবাই সকলৰ এটা অসৎ পৰিকল্পনা আছিল। যেতিয়া যুদ্ধ আৰম্ভ হৈ পৰিছিল তেতিয়া হজৰত আলি (ৰাঃ)য়ে চিঞৰি চিঞৰি কৈছিল যে কোনোবাই গৈ হজৰত আয়শা (ৰাঃ)ক এই খৱৰ দিয়া, সম্ভৱত তাইৰ জড়িয়তে আল্লাহ তায়ালা এই বিবাদ সাম কটাব পাৰে। গতিকে হজৰত আয়শা ৯ৰাঃ)ৰ উট সন্মুখলৈ অনা হৈছিল কিন্তু তেতিয়া ঘটনা আৰু ভয়ানক হৈ পৰিছিল। উক্ত বিবাদী সকলৰ পৰিকল্পনা ভাঙি পৰিবলৈ লোৱা দেখি তেওঁলোকে হজৰত আয়শা (ৰাঃ)ৰ উট লক্ষ্য কৰি তীৰ চলাবলৈ আৰম্ভ কৰিছিল।তেতিয়া হজৰত আয়শা (ৰাঃ)য়ে উচ্চস্বৰে মাতিবলৈ লেছিল যে - হে লোক সকল ! তোমালোকে যুদ্ধ বন্ধ কৰা, খোদা আৰু কিযামতৰ দিনলৈ মনত পেলোৱা। কিন্তু তথাপি সেই দ্ৰোহী সকলে যুদ্ধ এৰা নাছিল বৰং আয়শা (ৰাঃ)ৰ উটৰ ওপৰত তীৰ চলাই থাকিছিল। যিহেতু বচৰাৰ বাসিন্দা সকলে এই সৈন্য বাহিনীৰ মাজত আছিল, যি সকলে হজৰত আয়শা (ৰাঃ)ৰ ওচৰে পাজৰে জমা হৈ আছিল, তেওঁলোকে উক্ত ঘটনা দেখি ক্ৰোধত অধিৰ হৈ পৰিছিল আৰু উম্মুল মোমিনিনৰ এই অপমান সিহঁতৰ খঙৰ বান্ধ খহি গৈ তৰোৱাল হাতেৰে বিৰুধী সৈন্যৰ ওপৰত জপিয়াই পৰিছিল আৰু এনেকুৱা পৰিস্থিতি হৈ গৈছিল যে হজৰত আয়শা (ৰাঃ)ৰ উটটো যুদ্ধৰ এটা কেন্দ্ৰস্থলত পৰিণত হৈছিল। চাহাবা আৰু ডাঙৰ ডাঙৰ বীৰ যোদ্ধা সকলে তাইৰ ওচৰত আহি গোট খাইছিল আৰু এজনৰ পিছত এজন মৃত্যুক সাৱটি লোৱা আৰম্ভ হৈছিল। কিন্তু উটৰ লেকাম এৰি দিয়া নাছিল। হজৰত জাবিৰ (ৰাঃ)য়ে এই যুদ্ধত অংশ গ্ৰহন কৰা নাছিল আৰু তাৰ পৰা এফালে গুচি গৈছিল। কিন্তু এজন হত - ভগা দুৰ্ভগীয়াই তেখেত (ৰাঃ)ৰ পিছফালেদি গৈ তেখেত (ৰাঃ)য়ে নমাজ পঢ়ি থকা অৱস্থাত শ্বহীদ কৰি দিছিল। হজৰত তালহা (ৰাঃ)য়েও সেই যুদ্ধ ক্ষেত্ৰত সেই বিদ্ৰোহী সকলৰ হাতত শ্বহীদ হৈছিল। এই সকলোবোৰ ঘটনাত স্পষ্ট বুজা যায় যে উক্ত কাজিয়াত চাহাবা সকলৰ কোনো হাত নাছিল। বৰং এই চয়তানী আছিল একমাত্ৰ উচমান (ৰাঃ)ৰ হত্যাকাৰী সকলৰ আৰু এয়া ঠিক যে হজৰত তালহা (ৰাঃ) আৰু হজৰত জাবিৰ (ৰাঃ) হজৰত আলি (ৰাঃ)ৰ বয়াতৰ অন্তৰভূক্ত হৈ মৃত্যুবৰণ কৰিছিল কাৰণ এওঁলোকে যি সিদ্ধান্ত গ্ৰহন কৰিছিল পিছত সেয়া ত্যাগ কৰি ঘুৰি আহিছিল আৰু হজৰত আলি (ৰাঃ)ৰ লগত মিলিবলৈ স্বীকৃত হৈছিল। কিন্তু কিছুমান দুষ্টলোকৰ হাতত মৃত্যুবৰণ কৰিছিল। সেয়ে হজৰত আলি (ৰাঃ)য়ে সেই দুষ্ট চক্ৰক বৰকৈ ভৎসৰ্না কৰিছিল।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে জমালৰ যুদ্ধ চলাকালিন অৱস্থাত এজন চাহাবী হজৰত তালহা (ৰাঃ)ক কৈছিল যে তালহা তোমাৰ মনত আছেনে তুমি আৰু মই অমুক ঠাইত ৰছুলুল্লাহ (ছাঃ)ৰ বৈঠকত বহি আছিলো। তেতিয়া ৰছুলুল্লাহ (ছাঃ)য়ে কৈছিল যে - তালহা ; এটা সময় এনেকুৱা আহিব যে তুমি এটা সৈন্যদলত থাকিবা আৰু আলি আন এটা সৈন্যদলত থাকিব ন্যায় পথত আৰু তুমি থাকিবা ভূল পথত। হজৰত তালহা (ৰাঃ)য়ে এই কথা শুনাৰ লগে লগে তাৰ সম্ভেদ গুৰি আহিছিল আৰু তেখেতে কৈছিল - হয়, মোৰ মনত পৰিছে, আৰু তৎক্ষণাত সেই সৈন্যদলৰ পৰা ওলাই আহিছিল। যেতিয়া এখেত (ৰাঃ)য়ে যুদ্ধ এৰি গুচি গৈ আছিল, এনেতে দুষ্ট দুৰ্ভগীয়াই হজৰত তালহা (ৰাঃ)ক পিছৰ পৰা খঞ্জৰেৰে (ধাৰাল সৰু অস্ত্ৰ) আঘাত হানি শ্বহীদ কৰিছিল। এনেতে ৰছুলে কৰিম (ছাঃ)ৰ কথাখিনি পুৰ্ণ হৈছিল। হজৰত আলি (ৰাঃ)য়ে নিজৰ ঠাইত বহি আছিল এনেতে হজৰত তালহা (ৰাঃ)ৰ হত্যাকাৰীজন পুৰুষ্কাৰৰ লোভত হজৰত আলি (ৰাঃ)ৰ ওচৰত আহি উপস্থিত হৈ কৈছিল যে - হে আমিৰুল মোমিনিন মই তালহাক মাৰি পেলাইছোঁ। তেতিয়া হজৰত আলি (ৰাঃ)য়ে কৈছিল - হে দুৰ্ভগীয়া ব্যাক্তি ! মই তোমাক ৰছুলুল্লাহ (ছাঃ)ৰ ফালৰ পৰা সংবাদ দিওঁ যে তুমি জাহান্নামত নিক্ষিপ্ত হবা। কাৰণ ৰছুলে কৰিম (ছাঃ)য়ে এবাৰ কৈছিল যে - হে তালহা ! তুমি এদিন ন্যায় বিচাৰ কৰাৰ বাবে অপমান সহ্য কৰিব লাগিব আৰু তোমাক এজন লোকে মাৰি পেলাব, কিন্তু খোদা তাক (হত্যাকাৰীক) জাহান্নামত নিক্ষেপ কৰিব। হজৰত তালহা (ৰাঃ) যেতিয়া শ্বহীদ হৈ মাটিত পৰি আছিল আৰু হজৰত আলি (ৰাঃ)য়ে তাক মৃত অৱস্থাত দেখিছিল , তেতিয়া হজৰত আলি (ৰাঃ) য়ে তালহাৰ মুখমণ্ডলৰ ধুলি বালি মচি দিছিল আৰু কৈছিল - হে আবু মহম্মদ ! মই এয়া সহ্য কৰিব পৰা নাই যে মই তোমাক আচমানৰ তাৰকা পুঞ্জৰ তলত ধূলি - মাকতিৰে ঢাকি থকা দেখো। ইয়াৰ পিছত হজৰত তালহাৰ বাবে দোৱা কৰিছিল আৰু কৈছিল যে - হায় ! মই যদি এই দিনটোৰ বিছ বছৰ আগতে মাৰি পালোহেতেঁন।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে - ইখিনিতেই হজৰত তালহা (ৰাঃ)ৰ বিষয়ে চলি বৰ্ণনা সামৰিছো। এতিয়া বৰ্তমান বিশ্বৰ অৱস্থা সম্পৰ্কে মই হজৰত মছিহ মাওউদ (আঃ)ৰ লিখনি পঢ়ি শুনাইছো। এবাৰ তেখেত (আঃ)য়ে মুফতি

চাহাবাক কৈছিল যে ঘৰখন আলোকিত ৰাখিব। আজিকালি ঘৰখন পৰিষ্কাৰ পৰিচ্ছন্ন ৰখা উচিত। (এয়া প্লেগ বিয়পি পৰা দিনৰ কথা)। কাপোন কানি চাফ - চিকুন ৰখা প্ৰয়োজন। আকৌ কৈছিল যে - আজি কালিৰি দিনবোৰ বৰ বিপদজ্জনক আৰু বিষাক্ত (প্ৰদুষিত) হৈ পৰিছে আৰু পৰিষ্কাৰ পৰিচ্ছন্ন থকা ছুন্নত। কোৰআন শ্বৰিফতও লিখা আছে "ওয়া ফাতাহিৰ ওয়াৰ ৰুজ্জাফাহজুৰ" আকৌ এঠাইত কৈছে - সেই সকল লোক, যি সকলৰ চহৰত বা গাওঁত প্লেগ ব্যাপক ভাৱে বিয়পিছে, নিজৰ চহৰৰ পৰা বেলেগ ঠাইলৈ নাযাব। নিজৰ ঘৰ - দুৱাৰ পৰিষ্কাৰ কৰি ৰাখক আৰু সেয়া তপত ৰাখক আৰু প্ৰয়োজনীয় প্ৰতিষেধক ব্যাৱস্থা সমুহ পালন কৰক আৰু আৰু আটাইতকৈ ডাঙৰ কথা হল এয়া যে প্ৰকৃত সত্য তওবা কৰক। পৱিত্ৰ সাধনৰ সৈতে খোদা তায়ালাৰ লগত মিত্ৰতা কৰক। আকৌ কৈছে যে নিজৰ অৱস্থাৰ প্ৰকৃত পৱিত্ৰ পৰিবৰ্তনহে খোদা তায়ালাৰ এই শাস্তিৰ পৰা ৰক্ষা কৰিব পাৰিব।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে - আল্লাহ তায়ালা এই দিনবোৰত প্ৰত্যেক আহমদীক বিশেষ ভাৱে দোৱাৰ ওপৰত জোৰ দিয়াৰ তৌফিক দান কৰক। চৰকাৰী নিৰ্দেশনা মানি চলক। নিজৰ নিজৰ ঘৰ-দুৱাৰ পৰিষ্কাৰ ৰাখক। ধুপ ধূনা দিয়ক। ডেটল আদিৰে স্প্ৰে কৰক। আল্লাহ তায়ালা সকলোৰে ওপৰত কৃপা বৰ্ষন কৰক। দয়া কৰক। মুঠতে এই দিনবোৰও বিশেষভাৱে দোৱাৰ ওপৰত জোৰ দিয়ক। আল্লাহ তায়ালা ইয়াৰ বাবে সকলোৰে তৌফিক দান কৰক। (আমিন)

**Assamese Khulasa Khutba Jumma Huzoor Anwar 3 April . 2020**

**(BOOK POST PARINTED MATTER)**

**To** -----------------------------------------------------------------------

-----------------------------------------------------------------------

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**